रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1.] NEW DELHI, THURSDAY, SEPTEMBER 13, /22 BHADRA, 1934, (SAKA) [Vol : 7**
**নং ১] নতুন দিল্লী, বৃহস্পতিবাৰ, চেপ্তেম্বৰ ১৩, ২০১২/২২ ভাদ ১৯৩৪(শক) [খণ্ড ঃ ৭**

Separate paging is given to this part in order that it may be filed as a separate compilation.

বিধি আৰু ন্যায় মন্ত্ৰালয়
( বিধান বিভাগ )

নতুন দিল্লী, ৪ এপ্ৰিল , ২০১১ /১৪ চ'ত ১৯৩৩ (শক)

(১) দি এন্টি এপাৰ্থেদ (ইউনাইটেড নেইশ্যনচ্ ক্যান্‌ভেনশ্যন ) এক্ট , ১৯৮১ (১৯৮১ৰ ৪৮)
(২) দি এন্টি হাইয়্যাকিং এক্ট, ১৯৮২ (১৯৮২ৰ ৬৫)
(৩) দি টেকনল্যাযী ডি'ভে'ল্‌পমেন্ট বোৰ্ড এক্ট, ১৯৯৫ (১৯৯৫ৰ ৪৪)
(৪) দি কেব্‌ল টেলিভিজ্যন্ নেটৱৰ্কচ্ (ৰেগুলেইশ্যন ) এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৫) দি আৰ্ব্বিট্ৰেশ্যন এণ্ড কনচিলিয়েশ্যন এক্ট, ১৯৯৬ (১৯৯৬ৰ ২৬)
(৬) দি টেলিক'ম ৰেগিউলেইট্যাৰী অ'থ'ৰিটি অৱ ইণ্ডিয়া এক্ট, ১৯৯৭ (১৯৯৭ৰ ২৪)
(৭) দি যীয়্যাগ্ৰাফিকেল ইন্‌ডিকেশ্চ্যান্‌চ অৱ গুডচ্ (ৰেজিচ্‌ট্ৰেইশ্যন এণ্ড প্ৰ্যাটেক্ শ্যন্ ) এক্ট, ১৯৯৯ (১৯৯৯ৰ ৪৮)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ)অধিনিয়ম, ১৯৭৩ ( ১৯৭৩ৰ ৫০ )ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হ'ব ।

# MINISTRY OF LAW AND JUSTICE

(Legislative Department)

New Delhi, Dated the 4th April 2011/14, chaitra 1933 (SAKA)
The Translations in Assamese of the following namely : -

1. The Anti-Apartheid (United Nations Convention) Act, 1981 (48 of 1981)
2. The Anti-Hijacking Act, 1982 (65 of 1982)
3. The Technology Development Board Act, 1995 (44 of 1995)
4. The Cable Television Networks (Regulation) Act, 1995 (7 of 1995)
5. The Arbitration and Conciliation Act, 1996 (26-of 1996)
6. The Telecom Regulatory Authority of India Act, 1997 (24 of 1997)
7. The Geographical Indications of Goods (Registration and protection) Act, 1999 (48 of 1999)

are hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central laws Act, 1973 (50 of 1973).

# প্ৰযুক্তি বিজ্ঞান উন্নয়ন বোৰ্ড অধিনিয়ম, ১৯৯৫

**১৯৯৫ ৰ অধিনিয়ম সংখ্যা ৪৪**

[১৬ ডিচেম্বৰ,১৯৯৫]

**বোৰ্ড গঠনৰ বাবে অংশদাৰী মূলধন আদায় বা ঔদ্যোগিক বিষয়ত আন কোনো বিত্তীয় সহায়তা আৰু উন্নয়ন প্ৰয়াস কৰা আন এজেন্সী আৰু স্বদেশী কাৰিকৰীৰ ব্যৱসায়িক প্ৰয়োগ বা স্থানীয় বিশাল প্ৰয়োগত আমদানিকৃত কাৰিকৰী উপযোগী কৰাৰ কাৰণে আৰু ইয়াৰ সৈতে সম্পৰ্কিত বা আনুষঙ্গিক বিষয়ৰ বাবে উপবন্ধিত কৰিবলৈ এখন অধিনিয়ম ।**

ভাৰত গণৰাজ্যৰ চত্তচত্বাৰিংশবৰ্ষত সংসদৰ দ্বাৰা নিম্নানুসাৰে অধিনিয়মিত কৰা হওঁক ঃ-

## অধ্যায় -I

## প্ৰাৰম্ভিক

**সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ ।**

১। (১) এই অধিনিয়মখন প্ৰযুক্তি বিজ্ঞান উন্নয়ন বোৰ্ড অধিনিয়ম, ১৯৯৫ বুলি অভিহিত হব ।

(২) ই চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এনে তাৰিখত বলবৎ হব যি দৰে কেন্দ্ৰীয় চৰকাৰে নিয়ত কৰে ।

**পৰিভাষা**

২। এই অধিনিয়মত প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে ----

(ক) ''বোৰ্ড'' মানে ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত গঠিত প্ৰযুক্তি বিজ্ঞান উন্নয়ন বোৰ্ড ;

(খ) ''অধ্যক্ষ'' মানে বোৰ্ডৰ অধ্যক্ষ ;

(গ) ''নিধি'' মানে ধাৰা ৯ৰ উপধাৰা (১)ৰ অধীনত গঠিত প্ৰযুক্তি বিজ্ঞান উন্নয়ন আৰু প্ৰয়োগৰ বাবে নিধি ;

(ঘ) ''সদস্য'' মানে বোৰ্ডৰ এজন সদস্য আৰু অধ্যক্ষকো অন্তৰ্ভুক্ত কৰে ;

(ঙ) ''বিহিত'' মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(চ) ''সচিব'' মানে ধাৰা ৪ৰ উপধাৰা (১)ৰ অধীনত নিযুক্ত বোৰ্ডৰ সচিব ;

**১৯৮৬ ৰ ৩২**

(ছ) ইয়াত ব্যৱহৃত শব্দ আৰু অভিব্যক্তি, যি ইয়াত পৰিভাষিত হোৱা নাই কিন্তু গৱেষণা আৰু উন্নয়ণ উপকৰ অধিনিয়ম, ১৯৮৬ ত পৰিভাষিত হৈছে সেই অধিনিয়মত যথাক্ৰমে সেইবোৰত ন্যস্ত হোৱাৰ দৰে অৰ্থ থাকিব ।

## অধ্যায় -II

### প্ৰযুক্তি বিজ্ঞান উন্নয়ন বোৰ্ড

বোৰ্ডৰ গঠন আৰু নিগমন।

৩। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে প্ৰযুক্তি বিজ্ঞান উন্নয়ন বোৰ্ড বুলি অভিহিত এখন বোৰ্ড গঠন কৰিব ।

(২) বোৰ্ডখন এই অধিনিয়মৰ উপবন্ধ সাপেক্ষে সংবিদা কৰিবলৈ শ্বাশ্বত উত্তৰাধিকাৰ আৰু ক্ষমতাসহ সাধাৰণ মোহৰ থকা পূৰ্বোক্ত নামৰ দ্বাৰা নিগমিত নিকায় হ'ব আৰু উক্ত নামৰ দ্বাৰা বাদ কৰিব আৰু কৰাব ।

(৩) বোৰ্ড নিম্নলিখিত সদস্যসকলেৰে গঠিত হব অৰ্থাৎ ঃ-

(ক) বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন অধ্যক্ষ;

(খ) বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰ সচিব — পদেন ;

(গ) বিত্তীয় (ব্যয়) বিষয়ত কেন্দ্ৰীয় চৰকাৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰ সচিব — পদেন ;

(ঘ) প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন ;

(ঙ) ঔদ্যোগিক উন্নয়ন বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন ;

(চ) গ্ৰামীন উন্নয়ন বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় বা বিভাগৰ ভাৰপ্ৰাপ্ত ভাৰত চৰকাৰৰ সচিব — পদেন ;

(ছ) প্ৰযুক্তি বিজ্ঞান উন্নয়ন আৰু প্ৰয়োগত বেংক আৰু বিত্তীয় ঔদ্যোগিক, কৃষি আৰু গ্ৰামীন উন্নয়নত অভিজ্ঞতা থকা ব্যক্তি সমূহৰ মাজৰ পৰা কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে চাৰিজনৰ অনধিক ব্যক্তি নিযুক্ত কৰা হব, আৰু

(জ) বোৰ্ডৰ সচিব — পদেন ;

(৪) উপধাৰা (৩) ৰ খণ্ড (ছ) ত বিনিৰ্দিষ্ট সদস্যসকলৰ সেৱাৰ কালাৱধি আৰু আন চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হব ।

(৫) অধ্যক্ষই বোৰ্ডৰ সভাসমূহত সভাপতিত্ব কৰাৰ উপৰিও বোৰ্ডৰ দ্বাৰা তেওঁলৈ অৰ্পিত কৰা দৰে বোৰ্ডৰ এনে ক্ষমতা সমূহ আৰু আন ক্ষমতা আৰু কৰ্তব্যসমূহ যিদৰে বিহিত কৰা হয়, প্ৰয়োগ আৰু নিৰ্বাহ কৰিব ।

(৬) বোৰ্ডৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহী কোনো কাৰণৰ দ্বাৰা অবৈধ নহব --

(ক) বোৰ্ডৰ সংবিধানত কোনো ৰিক্তি বা ত্ৰুটী ;

(খ) বোৰ্ডৰ সদস্য ৰূপে কাৰ্য্য কৰা কোনো ব্যক্তিৰ নিযুক্তিত কোনো ত্ৰুটী ;

(গ) গোচৰৰ গুণাগুণত প্ৰভাৱিত নকৰা বোৰ্ডৰ প্ৰক্ৰিয়াত কোনো অনিয়মতা ।

বোৰ্ডৰ সচিব আৰু আন পদাধিকাৰী আৰু আন কৰ্মচাৰী ।

৪। (১) বোৰ্ডে সচিব আৰু আন পদাধিকাৰী আৰু কৰ্মচাৰী নিয়োগ কৰিব পাৰে যিদৰে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহৰ দক্ষতাপূৰ্ণ নিৰ্বহনৰ বাবে আৱশ্যকীয় বিবেচনা কৰে ।

(২) বোৰ্ডৰ সচিব আৰু আন পদাধিকাৰীসকল আৰু কৰ্মচাৰীৰ সেৱাৰ চৰ্ত্তাৱলী এনে হব যিদৰে বিনিয়মসমূহৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয় ।

বোৰ্ডৰ সমিতি সমূহ ।

৫। (১) বোৰ্ডে, ইয়াৰ কৃত্যসমূহৰ দক্ষতাপূৰ্ণ নিৰ্বহনৰ বাবে আৰু এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহৰ পালনৰ বাবে যিমান আৱশ্যক হয় সমিতি নিয়োগ কৰিব পাৰিব ।

(২) বোৰ্ডৰ এনে ক্ষমতা থাকিব, যে ই উচিত ভবা দৰে এনে সংখ্যক ব্যক্তি, যিসকল বোৰ্ডৰ সদস্য নহয়, উপধাৰা (১) ৰ অধীনত নিযুক্ত কোনো সমিতিৰ সদস্য হিচাবে সহযোগিতা কৰিব আৰু সমিতিৰ সভাসমূহত উপস্থিত থকাৰ অধিকাৰ থাকিব আৰু সমিতিৰ কাৰ্য্যবাহী সমূহত অংশ লব পাৰিব কিন্তু ভোট দিবলৈ অধিকাৰ নাথাকিব ।

বোৰ্ডৰ কৃত্য সমূহ ।

৬। বোৰ্ডে --

(ক) বিনিয়মসমূহৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা দৰে এনে চৰ্ত্তাৱলীৰ সাপেক্ষে অংশীদাৰী মূলধন উপবন্ধিত ঔদ্যোগিক বিষয়ক কোনো আন বিত্তীয়সহায়তা আৰু দেশীয় প্ৰযুক্তিবিজ্ঞান ব্যৱসায়িক প্ৰয়োগ প্ৰয়াস কৰা আন এজেন্সী বা দেশীয় বৃহৎ প্ৰয়োগৰ আমদানি কৰা প্ৰযুক্তি বিজ্ঞান অনুকূলন উপবন্ধিত কৰিব পাৰে ;

(খ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্বীকৃত কৰা দৰে দেশীয় প্ৰযুক্তি বিজ্ঞান উন্নয়নত আৱদ্ধ অনুষ্ঠানত এনে গৱেষণা আৰু উন্নয়নত বা বাণিজ্যিক প্ৰয়োগৰ বাবে আমদানিকৃত প্ৰযুক্তি বিজ্ঞানৰ অনুকূলনত বিত্তীয় সহায়তা উপবন্ধিত কৰিব পাৰে ;

(গ) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ইয়ালৈ ন্যস্ত কৰা দৰে এনে আন কৃত্যসমূহ পালন কৰিব পাৰে ।

## অধ্যায় -III

### বিত্তীয় সহায়তা মঞ্জুৰৰ বাবে আবেদন

বিত্তীয় সহায়তা মঞ্জুৰৰ বাবে আবেদন ।

৭। (১) ধাৰা ৬ ৰ অধীনত উল্লিখিত প্ৰয়োজনাৰ্থে বিত্তীয় সাহায্য মঞ্জুৰৰ বাবে আবেদন বিহিত কৰা দৰে এনে প্ৰপত্ৰত বোৰ্ডলৈ কৰা হব ।

(২) বোৰ্ডে আবেদনৰ পৰীক্ষণৰ পিচত আৰু এনে তদন্ত কৰাৰ পিচত যিদৰে লিখিত আদেশৰ দ্বাৰা আৱশ্যকীয় গণ্য কৰে, হয় বিত্তীয় সাহায্য মঞ্জুৰ কৰিব বা সেইবোৰ মঞ্জুৰ কৰাৰ বাবে অস্বীকাৰ কৰিব পাৰে ঃ

পৰন্তু মঞ্জুৰীৰ বাবে কোনো অস্বীকাৰ কৰা নহব যদিহে আবেদকক কোনো শুনানীৰ যুক্তি সঙ্গত সুযোগ দিয়া নহয় ।

## অধ্যায় -IV

### বিত্ত, হিচাপ আৰু হিচাপ পৰীক্ষা

কেন্দ্ৰীয় চৰকাৰৰ মঞ্জুৰী আৰু ঋণ ।

৮। কেন্দ্ৰীয় চৰকাৰে, বিধিৰ দ্বাৰা সংসদৰ দ্বাৰা এই মৰ্মে প্ৰণীত সমুচিত শোধ্যৰ পিচত এনে ধনৰাশি মঞ্জুৰ আৰু ঋণ বোৰ্ডলৈ প্ৰস্তুত কৰে যিদৰে চৰকাৰে আৱশ্যকীয় বিবেচনা কৰিব পাৰে ।

প্ৰযুক্তি বিজ্ঞান উন্নয়ন আৰু প্ৰয়োগৰ বাবে নিধি ।

৯। (১) প্ৰযুক্তি বিজ্ঞান উন্নয়ন আৰু প্ৰয়োগৰ বাবে নিধি নামেৰে এটা নিধি গঠন কৰা হব আৰু নিধিত ঋণ দিয়া হব --

(ক) ধাৰা ৮ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বোৰ্ডলৈ কৰা কোনো মঞ্জুৰী আৰু ঋণ ;

(খ) আন কোনো উৎসৰ পৰা বোৰ্ডৰ দ্বাৰা প্ৰাপ্ত সকলো ধন ;

(গ) নিধিৰ পৰা মঞ্জুৰ হোৱা ধনৰাশি পুনৰুদ্ধাৰ ;

(ঘ) নিধিৰ ধনৰাশিৰ বিনিয়োগৰ পৰা হোৱা কোনো আয় ;

(২) নিধি নিম্নলিখিত পূৰণৰ বাবে প্ৰয়োগ হব --

(ক) সামগ্ৰীৰ ওপৰত হোৱা খৰছ আৰু এই অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত উদ্দেশ্য ;

(খ) বোৰ্ডৰ পদাধিকাৰী আৰু আন কৰ্মচাৰী বৃন্দৰ বেতন , ভাত্তা আৰু আন ব্যয় ; আৰু

(গ) এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্য সমূহৰ নিৰ্বহনত বোৰ্ডৰ ব্যয় ।

টকাৰ ৰচিদ আৰু দায়িত্ব সমূহৰ অন্তৰণ । ১৯৮৬ ৰ ৩২ ১৯৬৪ ৰ ১৮

১০। এই অধিনিয়মৰ প্ৰাৰম্ভণত আৰু প্ৰাৰম্ভণৰ পৰা --

(ক) গৱেষণা আৰু উন্নয়ন উপকৰ অধিনিয়ম, ১৯৮৬ৰ ধাৰা ৫ৰ অধীনত স্থাপিত ক্ষতিশংকিত মূল পুঁজিৰ ঋণত থকা টকা, যিটো ভাৰতৰ ঔদ্যোগিক উন্নয়ন বেংক অধিনিয়ম, ১৯৬৪ৰ ধাৰা ১৪ৰ অধীনত উন্নয়ন বেংকৰ দ্বাৰা স্থাপিত উন্নয়ন সাহায্য নিধিৰ অংশ হয়, বোৰ্ডলৈ অন্তৰিত আৰু ন্যস্ত কৰা হব ;

(খ) এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে উন্নয়ন বেংকত শোধ্য সকলো টকা বোৰ্ডলৈ শোধ্য বুলি গণ্য হব ;

(গ) এনে প্ৰাৰম্ভণ বা ক্ষতিশংকিত মূল পুঁজি উদেশ্যৰ সম্পৰ্কত অব্যৱহিত পূৰ্বে উন্নয়ন বেংকৰ দ্বাৰা বা সহিত কৰা বুলি ব্যয় হোৱা সকলো ধনৰ বাধ্যতা আৰু দায়িত্ব, প্ৰবিষ্ট সকলো সংবিদা আৰু চুক্তি আৰু সকলো বিষয় আৰু কাম কাজ বোৰ্ডৰ দ্বাৰা বা সহিত ব্যয় হোৱা, প্ৰবিষ্ট হোৱা বা আবদ্ধ হোৱা বুলি গণ্য হব ;

(ঘ) ৰুজু হোৱা সকলো বাদ আৰু আন বিধিক কাৰ্য্যবাহ বা যিবোৰ এনে প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্বে উন্নয়ন বেংকৰ দ্বাৰা বা বিৰুদ্ধে ৰুজু কৰা হ'লহেতেন, বোৰ্ডৰ দ্বাৰা বা বিৰুদ্ধে চলি থাকিব বা ৰুজু কৰিব পাৰে ।

**বাজেট ।** ১১। বোৰ্ডৰ প্ৰাক্কলিত ৰচিদ আৰু ব্যয় দেখুৱাই পৰৱৰ্ত্তী বিত্তীয় বৰ্ষৰ বাবে ইয়াৰ বাজেট বিহিত কৰা দৰে প্ৰত্যেক বিত্তীয় বৰ্ষত এনে প্ৰ-পত্ৰত আৰু এনে সময়ত প্ৰস্তুত কৰিব আৰু সেইটো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব ।

**বাৰ্ষিক প্ৰতিবেদন ।** ১২। বোৰ্ডে এনে প্ৰ-পত্ৰত আৰু এনে সময়ত প্ৰত্যেক পৰৱৰ্ত্তী বৰ্ষত, বিহিত কৰা দৰে পূৰ্ববৰ্ত্তী বিত্তীয় বৰ্ষৰ ভিতৰত ইয়াৰ কামকাজৰ সম্পূৰ্ণ হিচাপ দি ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ এটা প্ৰতিলিপি দাখিল কৰিব ।

**হিচাপ আৰু হিচাপ পৰীক্ষা ।** ১৩। (১) বোৰ্ডে সঠিক হিচাপ আৰু আন আনুষঙ্গিক অভিলেখ ৰাখিব আৰু ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ সৈতে পৰামৰ্শত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিহিত কৰা দৰে এনে প্ৰ-পত্ৰত হিচাপসমূহৰ বাৰ্ষিক বিবৃতি প্ৰস্তুত কৰিব ।

(২) এই অধিনিয়মৰ অধীনত বোৰ্ডৰ হিচাপসমূহৰ হিচাপ পৰীক্ষাৰ সৈতে সম্পৰ্কিত হোৱাত তেওঁৰ দ্বাৰা নিয়োজিত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ এনে হিচাপ পৰীক্ষাৰ সম্পৰ্কত একে অধিকাৰ আৰু বিশেষাধিকাৰ আৰু প্ৰাধিকাৰ থাকিব যিদৰে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ চৰকাৰী হিচাপৰ হিচাপ পৰীক্ষাৰ সম্পৰ্কত থাকে আৰু বিশেষতঃ বহী, হিচাপ সম্পৰ্কিত ৰচিদ আৰু আন দস্তাৱেজ আৰু নথিপত্ৰ পেচ কৰাৰ বাবে দাবী কৰিবলৈ আৰু এই অধিনিয়মৰ অধীনত বোৰ্ডৰ কোনো কাৰ্য্যালয় পৰিদৰ্শন কৰিবলৈ অধিকাৰ থাকিব ।

(৩) বোৰ্ডৰ হিচাপসমূহ বাৰ্ষিকভাৱে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকে নিৰীক্ষণ কৰিব আৰু এনে হিচাপৰ লগত সম্পৰ্কিত উপগত কোনো ব্যয় বোৰ্ডৰ দ্বাৰা ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা দেয় হব ।

(৪) বোৰ্ডে পৰীক্ষকৰ প্ৰতিবেদনৰ সৈতে একেলগে ইয়াৰ হিচাপৰ হিচাপ পৰীক্ষা কৰা এটা প্ৰতিলিপি বিহিত কৰা দৰে এনে তাৰিখৰ পূৰ্বে কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব ।

**বাৰ্ষিক প্ৰতিবেদন আৰু পৰীক্ষকৰ প্ৰতিবেদন সংসদত উপস্থাপন কৰা হব ।** ১৪। সংসদৰ প্ৰত্যেক সংসদত যিমান সোনকালে পাৰি সেইবোৰ প্ৰাপ্ত কৰাৰ পিচত, বাৰ্ষিক প্ৰতিবেদন আৰু পৰীক্ষকৰ প্ৰতিবেদন উপস্থাপন কৰিব ।

## অধ্যায় -V

## বিবিধ

**বোৰ্ডলৈ প্ৰবিৱৰণ সমূহ দাখিল কৰা হব ।** ১৫। (১) বোৰ্ডৰ পৰা বিত্তীয় সাহায্য প্ৰাপ্ত কৰা কোনো ঔদ্যোগিক বিষয় বা কোনো প্ৰতিষ্ঠানে এনে প্ৰ-পত্ৰত আৰু এনে সময়ত বোৰ্ডলৈ প্ৰবিৱৰণ দাখিল কৰিব যিদৰে বিনিয়ম সমূহৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয় ।

(২) বোৰ্ডে এই ধাৰাৰ অধীনত প্ৰণীত কোনো প্ৰবিৱৰণৰ সঠিক সত্যাৰ্পিত কৰিবলৈ কোনো সময়ত উপধাৰা (১) ত উল্লিখিত ঔদ্যোগিক বিষয় বা প্ৰতিষ্ঠান প্ৰদৰ্শন কৰিবলৈ কোনো পদাধিকাৰীয়ে প্ৰাধিকৃত কৰিব পাৰে ।

**নিৰ্দেশ জাৰি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ।** ১৬। (১) এই অধিনিয়মৰ পূৰ্বগামী উপবন্ধাৱলীৰ ক্ষমতাত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ বোৰ্ডে এই অধিনিয়মৰ অধীনত ইয়াৰ কৃত্যসমূহ আৰু কৰ্ত্তব্যৰ নিৰ্বহনত নীতিৰ প্ৰশ্নত এনে নিৰ্দেশৰ দ্বাৰা বাধ্য থাকিব যিদৰে কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে লিখিত ভাবে দিয়ে ঃ

পৰন্তু বোৰ্ডক যথাসাধ্য এই উপধাৰাৰ অধীনত কোনো নিৰ্দেশ দিয়াৰ পূৰ্বে ইয়াৰ মত প্ৰকাশ কৰিবলৈ সুযোগ দিয়া হব ।

(২) কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত, নীতিগত প্ৰশ্ন হওঁক বা নহওঁক, চূড়ান্ত হব ।

১৭। (১) যদি কোনো সময়ত কেন্দ্ৰীয় চৰকাৰৰ মত হয় যে --

(ক) গুৰুতৰ সংকটজনক অৱস্থাৰ কাৰণে বোৰ্ডে এই অধিনিয়মৰ উপবন্ধসমূহৰ দ্বাৰা বা অধীনত আৰোপিত কৃত্য আৰু কৰ্ত্তব্যসমূহত নিৰ্বহন কৰিবলৈ অসমৰ্থ হয় ; বা

(খ) বোৰ্ডে, এই অধিনিয়মৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাৰি কৰা কোনো নিৰ্দেশ পালন কৰাত বা এই অধিনিয়মৰ উপবন্ধসমূহৰ দ্বাৰা বা অধীনত কৃত্যসমূহৰ নিৰ্বহনত বা ইয়ালৈ আৰোৰিত কৰ্ত্তব্যসমূহৰ নিৰ্বহনত ক্ৰুটী কৰে আৰু ফলস্বৰূপে এনে ক্ৰুটীয়ে বোৰ্ডৰ বিত্তীয় অৱস্থা বা বোৰ্ডৰ প্ৰশাসন অধোনমিত হয় ; বা

(গ) বিদ্যমান পৰিস্থিতি যিটো এনেদৰে কৰিবলৈ ৰাজহুৱা স্বাৰ্থত আৱশ্যকীয় হয় ;

কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনা দি ছয়মাহৰ অধিক নোহোৱা এনে কালৰ বাবে বোৰ্ডক অধিষ্ঠিত কৰিব পাৰে যিদৰে অধিসূচনাত বিনিৰ্দিষ্ট কৰা হয় ।

(২) বোৰ্ডক অধিষ্ঠিত কৰি উপধাৰা (১) ৰ অধীনত কোনো অধিসূচনাৰ প্ৰকাশনৰ ওপৰত -----

(ক) সকলো সদস্য অধিক্ৰমনৰ তাৰিখৰ পৰা এনেদৰে তেওঁলোকৰ পদসমূহ ৰিক্ত কৰিব ;

(খ) সকলো ক্ষমতা, কৃত্য আৰু কৰ্ত্তব্যসমূহ যিবোৰ এই অধিনিয়মৰ উপবন্ধসমূহৰ দ্বাৰা বা অধীনত বোৰ্ডৰ দ্বাৰা বা মৰ্মে প্ৰয়োগ বা নিৰ্বহন কৰিব পাৰে, উপধাৰা (৩) ৰ অধীনত পুনৰ গঠিত নোহোৱা লৈকে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়া দৰে এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা প্ৰয়োগ আৰু নিৰ্বহন কৰা হব ; আৰু

(গ) বোৰ্ডৰ দ্বাৰা অৰ্জিত বা নিয়ন্ত্ৰিত সকলো সম্পত্তি উপ-ধাৰা (৩)ৰ অধীনত বোৰ্ড পুনৰসংস্থাপিত নোহোৱা পৰ্যন্ত কেন্দ্ৰীয় চৰকাৰত ন্যস্ত থাকিব ।

(৩) উপধাৰা (১) ৰ অধীনত জাৰি কৰা অধিসূচনাত বিনিৰ্দিষ্ট অধিক্ৰমণৰ কালৰ অৱসানত, কেন্দ্ৰীয় চৰকাৰে নতুন নিযুক্তিৰ দ্বাৰা বোৰ্ডৰ পুনৰ গঠন কৰিব পাৰে আৰু এনে ক্ষেত্ৰত উপধাৰা (২) ৰ খণ্ড (ক)ৰ অধীনত পদসমূহ ৰিক্ত কৰা ব্যক্তি বা ব্যক্তিসকলৰ পুনৰ নিযুক্তিৰ বাবে অযোগ্য বুলি গণ্য নহব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে কোনো সময়ত অধিক্ৰমণৰ কালত অৱসানৰ পূৰ্বে এই উপধাৰাৰ অধীনত ব্যৱস্থা লব পাৰে ।

(৪) কেন্দ্ৰীয় চৰকাৰে উপধাৰা (১)ৰ অধীনত জাৰি কৰা কোনো অধিসূচনা আৰু এই ধাৰাৰ অধীনত লোৱা কোনো ব্যৱস্থাৰ সম্পূৰ্ণ প্ৰতিবেদন দিব আৰু এনে ব্যৱস্থা চলোৱা পৰিস্থিতি শীঘ্ৰে প্ৰত্যেক সদনৰ সন্মুখত উত্থাপন কৰা হব ।

**আৰোপকৰণ।** ১৮। বোৰ্ডে, লিখিতভাবে সাধাৰণ আৰু বিশেষ আদেশৰ দ্বাৰা অধ্যক্ষই বা কোনো আন সদস্যই বা বোৰ্ডৰ কোনো পদাধিকাৰীলৈ এনে চৰ্ত্তাৱলী আৰু পৰিসীমা সাপেক্ষে যদি কিবা থাকে, আদেশত বিনিৰ্দিষ্ট কৰা দৰে, এই অধিনিয়মৰ অধীনত ইয়াৰ এনে ক্ষমতাসমূহ আৰু কৃত্যসমূহৰ ক্ষমতাৰোপ কৰিব পাৰে (ধাৰা ২২ৰ অধীনত ক্ষমতাৰ ব্যতিৰেকে) যিদৰে ই আৱশ্যক গণ্য কৰে ।

**বোৰ্ডৰ সদস্য, পদাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ লোক সেৱক হব । ১৮৬০ৰ ৪৫**

১৯। বোৰ্ডৰ সকলো সদস্য, পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক, যেতিয়া এই অধিনিয়মৰ উপবন্ধ সমূহৰ অনুসাৰে কাৰ্য্য কৰি থাকে বা কাৰ্য্য কৰিবলৈ তাৎপৰ্যিত কৰে, ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ২১ ৰ অৰ্থত লোকসেৱক বুলি গণ্য কৰা হব ।

**সৰল বিশ্বাসত লোৱা কাৰ্য্যৰ সুৰক্ষা ।**

২০। এই অধিনিয়মৰ অধীনত বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলী বা বিনিয়মাৱলীৰ অধীনত কোনো কাৰ্য্য সৰল বিশ্বাসত কৰা বা কৰা বুলি অভিপ্ৰেত চৰকাৰ বা ইয়াৰ দ্বাৰা নিযুক্ত বোৰ্ড বা কোনো সমিতি বা বোৰ্ডৰ বা এনে সমিতিৰ কোনো সদস্য বা চৰকাৰ বা বোৰ্ডৰ কোনো কৰ্মচাৰী বা পদাধিকাৰী বা চৰকাৰ বা বোৰ্ডৰ দ্বাৰা প্ৰাধিকৃত কোনো আন ব্যক্তিৰ বিৰুদ্ধে কোনো বাদ বা আন বিধিক কাৰ্য্যবাহ নচলাব ।

**নিয়মাৱলী প্ৰণয়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা ।**

২১। (১) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ উপবন্ধসমূহৰ নিৰ্বহনত নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপবন্ধিত কৰিব পাৰে অৰ্থাৎ ঃ-

(ক) ধাৰা ৩ৰ উপধাৰা (৩)ৰ খণ্ড (ছ)ৰ অধীনত বোৰ্ডৰ সদস্যসকল ;

(খ) ধাৰা ৩ৰ উপধাৰা (৪)ৰ অধীনত বোৰ্ডৰ সদস্যসকলৰ সেৱাৰ পদাৱধি আৰু আন চৰ্ত্তাৱলী ;

(গ) ধাৰা ৩ৰ উপধাৰা (৫)ৰ অধীনত অধ্যক্ষৰ ক্ষমতা আৰু কৰ্ত্তব্যসমূহ ;

(ঘ) ধাৰা ৫ৰ উপধাৰা (১)ৰ অধীনত সমিতিসমূহৰ গঠন ;

(ঙ) ধাৰা ৭ৰ উপধাৰা (১)ৰ অধীনত আবেদনৰ প্ৰপত্ৰ ;

(চ) যি প্ৰপত্ৰত আৰু যি সময়ত বোৰ্ডে ধাৰা ১১ ৰ অধীনত ইয়াৰ বাজেট আৰু ধাৰা ১২ৰ অধীনত ইয়াৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব ;

(ছ) ধাৰা ১৩ৰ উপধাৰা (১) ৰ অধীনত হিচাপসমূহৰ বাৰ্ষিক প্ৰতিবেদনৰ প্ৰপত্ৰত আৰু যি তাৰিখৰ পূৰ্বে হিচাপসমূহৰ পৰীক্ষা কৰা প্ৰতিলিপি সেই ধাৰাৰ উপধাৰাৰ (৪) ৰ অধীনত কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰিব পাৰিব ।

(জ) অন্য কোনো বিষয় যিটো বিহিত হয় বা হব পাৰে বা যাৰ সম্বন্ধত নিয়মাৱলীৰ দ্বাৰা উপবন্ধবোৰ প্ৰণীত হয় বা হব পাৰে ।

**বিনিয়মাৱলী প্ৰণয়ন কৰিবলৈ বোৰ্ডৰ ক্ষমতা ।**

২২। (১) বোৰ্ডে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ববৰ্ত্তী অনুমোদন সৈতে এই অধিনিয়মত গঠিত বিনিয়মাৱলী আৰু এই অধিনিয়মৰ উপবন্ধসমূহ সাধাৰণতে নিৰ্বহন কৰিবলৈ নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে ।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ এনে বিনিয়মাৱলীয়ে নিম্ন লিখিত বিষয়সমূহৰ সকলো বা কোনোটোৰ বাবে উপবন্ধিত কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) ধাৰা ৪ৰ উপধাৰা (২)ৰ অধীনত বোৰ্ডৰ সচিব আৰু আন পদাধিকাৰীসকল আৰু কৰ্মচাৰীবৃন্দৰ সেৱাৰ কাল আৰু চৰ্ত্তাৱলী ;

(খ) চৰ্ত্তাৱলী, যিবোৰৰ সাপেক্ষে অংশীদাৰী মূলধন ধাৰা ৫ৰ খণ্ড (ক)ৰ অধীনত বোৰ্ডৰ দ্বাৰা উপবন্ধিত কৰিব পাৰে ;

(গ) যি প্ৰপত্ৰ আৰু যি সময়ত প্ৰবিৱৰণ ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত বোৰ্ডলৈ দাখিল কৰিব পাৰিব ।

**নিয়মাৱলী আৰু বিনিয়মাৱলী সংসদৰ সন্মুখত উপস্থাপন কৰিব ।**

২৩। এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম আৰু বিনিময় ইয়াক প্ৰণয়ন কৰাৰ পিছত লগে লগে ই অধিবেশন চলি থকাৰ সময়ত এখন বা দুখন অধিবেশন বা ততোধিক ক্ৰমাগত অধিবেশনৰে গঠিত হব পৰা মুঠ ত্ৰিশদিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনৰ সন্মুখত উপস্থাপন কৰিব লাগিব, আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহৃত পৰৱৰ্ত্তী অধিবেশনৰ বা ক্ৰমাগত অধিবেশনৰ অৱসানৰ পূৰ্বে উভয় সদনে নিয়মত বা বিনিয়মত কোনো সাল-সলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে নিয়ম বা বিনিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত নিয়ম বা বিনিয়ম ক্ষেত্ৰ বিশেষে এনে সাল-সলনি আকাৰত প্ৰভাৱহীন হব, সেয়ে হলেও এনে সাল-সলনি বা ৰদকৰণে সেই নিয়মৰ বা বিনিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হব ।

*******